এতিয়াও এক সাৰ্থক ৰূপ ল'বলৈ ...

## 'ভাৰতীয় সাহিত্য'ৰ ধাৰণা ঃ প্ৰায়োগিক দিশ

১৮২৩ চনত পোনপ্ৰথমবাৰৰ বাবে জাৰ্মান কবি আগষ্ট ৱিলহেল্ম ভন শ্লেগেলে Indian Literature শব্দটো প্ৰয়োগ কৰে মূলতঃ সংস্কৃত সাহিত্যসমূহক বুজাবলৈ। ইয়াৰ পিছত Albert Webers-ৰ The History of Indian Literature প্ৰকাশিত হয় ১৮৫২ চনত। ইয়াতো মূলতঃ বৈদিক সংস্কৃত সাহিত্যসমূহক সামৰিবৰ যত্ন কৰা হয়। ইয়াৰ পিছত Winternitz's History of Indian Literature প্ৰকাশিত হয় ১৯০৭ চনত, য'ত সংস্কৃতৰ উপৰি পালি, প্ৰাকৃত আদি সাহিত্যসমূহেও স্থান পায়। ইতিমধ্যে ভাৰতীয় জাতীয়তাবাদী ধাৰণা প্ৰবল হৈ উঠে। যোগাযোগ আৰু বিভিন্ন ৰাজনৈতিক তথা সামাজিক কাৰণত প্ৰান্তীয় সাহিত্যবোৰৰ চৰ্চায়ো কিছু গুৰুত্ব লাভ কৰে আৰু এনেবোৰ কাৰণতেই Joseph Shipley-ৰ Encyclopaedia of Literature (১৯৪৬) ত আধুনিক ভাৰতীয় ভাষাৰ বিষয়টোৰেও স্থান পায় আৰু তাৰ পৰৱৰ্তী Cassell's Encyclopaedia of World Literature ৰ ১৯৭৩ চনত প্ৰকাশিত দ্বিতীয় সংস্কৰণৰ সংস্কৃতৰ লগতে নটা আধুনিক ভাৰতীয় ভাষাৰ বিষয়েও কিছু আলোচনা প্ৰকাশ পায়।

১৮২৩ চনত অকল সংস্কৃত সাহিত্যক বুজাবলৈ ব্যৱহাৰ হোৱা Indian Literature বা ভাৰতীয় সাহিত্য পদটিয়ে ভাৰতীয় জাতীয়তাবাদৰ বিকাশৰ লগে লগে কেনেদৰে প্ৰসাৰ লাভ কৰি আধুনিক ভাৰতীয় ভাষাসমূহক সামৰি ল'লে তাক বুজিবলৈ আমি আৰু কেতবোৰ কথাৰ ওপৰত আলোকপাত কৰিব লাগিব। ইয়াৰে আটাইতকৈ উল্লেখনীয় কথাটো হ'ল ১৯১৯ চনত ছাৰ আশুতোষ মুখাৰ্জীৰ দ্বাৰা কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষা (MIL) বিভাগৰ প্ৰতিষ্ঠা। নিশ্চিতভাৱেই ই আছিল ভাৰতীয় জাতীয় সাহিত্যৰ ধাৰণাক গঢ় দিয়া প্ৰথম আনুষ্ঠানিক পদক্ষেপ। ইয়াৰ প্ৰায় লগে লগে ১৯২০ চনত অৰবিন্দৰ 'আৰ্য' আলোচনীখনত ধাৰাবাহিকভাৱে 'ভাৰতীয় সাহিত্য' শীৰ্ষক এলানি প্ৰবন্ধ প্ৰকাশিত হৈছিল। ১৯৩৬ চনত স্থাপিত প্ৰগতিশীল লেখক সংঘ (The Indian Progressive Writers Association) আছিল ভাৰতীয় সাহিত্যিকসকলৰ জাতীয় অনুষ্ঠান। এই প্ৰসংগত হীৰেন্দ্ৰ নাথ মুখোপাধ্যায়ৰ এটি উদ্ধৃতি উল্লেখনীয়। "প্ৰগতি লেখক সংঘকে সৰ্বভাৰতীয় ভিত্তিতে প্ৰতিষ্ঠা কৰাৰ প্ৰথম প্ৰয়াস হয়েছিল এদেশে নয় বিদেশে; লণ্ডনে এক ঘৰে বসে ভাৰতবৰ্ষেৰ বিভিন্ন অঞ্চলেৰ কয়েকজন যে আলোচনা ১৯৩২-৩৩-৩৪ সালে কৰেছিল, তাৰই পৰিণতি ঘটে 'নিখিল ভাৰত প্ৰগতি লেখক সংঘ' প্ৰতিষ্ঠায়। সে আলোচনায় যাৰা যোগে দেয়, তাৰা সবাই যে লেখক তা নয়। মুল্কৰাজ আনন্দ, সজ্জাদ জহীৰ, ভবানী ভট্টাচাৰ্য, কৰাল সিং, ৰাজা ৰাও, মুহম্মদ আৰশফ, এবং আৰও ক'জন মিলে যে আলোচনা চলে তাৰই জেৰ এদেশে টেনে ১৯৩৫ সালে প্ৰস্তাৱিত প্ৰগতি লেখক সংঘেৰ ইস্তাহাৰ প্ৰকাশ হয়। ১৯৩৬ সালে ইষ্টাৰেৰ ছুটীতে লক্ষ্ণৌ কংগ্ৰেছেৰ সময় মুন্সী প্ৰেমচন্দেৰ সভাপতিত্বে নিখিল ভাৰত প্ৰগতি লেখক সংঘেৰ প্ৰথম প্ৰকাশ্য অধিৰেশন হয়।"[৫] উল্লেখনীয় যে ১৯৩৯চনত এই সংঘৰ অধিৰেশন কলিকতাত ৰবীন্দ্ৰনাথৰ উদ্বোধনী ভাষণৰে আৰম্ভ হৈছিল আৰু এই চনৰ পৰাই লক্ষ্ণৌৰ পৰা এওঁলোকৰ উদ্যোগত Neo Indian Literature নামেৰে এখন তিনিমহীয়া কাকতো প্ৰকাশিত হৈছিল।

ষাঠিৰ দশকৰ পৰা ভাৰতীয় সাহিত্যৰ ধাৰণাটোক আৰু সুদৃঢ় কৰি তোলাৰ বাবে ভালেমান চৰকাৰী উদ্যোগো আৰম্ভ হয়। ১৯৫৪ চনত আকাশবাণীয়ে ভাৰতৰ ১৩টা আধুনিক ভাৰতীয় ভাষাৰ ওপৰত কথিকা প্ৰচাৰ কৰিবলৈ লয়। পিছলৈ এই কথিকাবোৰ থুপ খুৱাই *Literature in Modern India Languages* শীৰ্ষক এখন পুথিও প্ৰকাশ হয়। একে চনতে ভাৰতৰ সাহিত্য অকাডেমীও স্থাপন হয় আৰু তেওঁলোকেও ১৯৫৭ চনৰ পৰা সংগঠনৰ মুখপত্ৰ Indian Litera-

ture প্ৰকাশ কৰিবলৈ লয়। ১৯৬৪ চনত যাদৱপুৰ বিশ্ববিদ্যালয়ত তুলনাত্মক সাহিত্যৰ এটা পূৰ্ণাংগ বিদ্যায়তনিক বিভাগ প্ৰতিষ্ঠা হয়। এওঁলোকেও ভাৰতীয় তুলনাত্মক সাহিত্যৰ দিশটো লৈ ন ন চিন্তা-ভাবনা আগবঢ়ায়।

উল্লেখনীয় যে প্ৰগতিশাল লেখক সংঘৰ দৰে ভাৰতীয় লেখক আলোচকসকলৰ প্ৰথম সভাখনো গঠন হৈছিল বিশ্বজুৰি চলা ফেচীবাদ বিৰোধী সংগ্ৰামৰ জোৱাৰত। গতিকে ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে ভাৰতীয় জাতীয় ঐক্যক শক্তিশালী ৰূপ দিয়াটো অনিবাৰ্য হৈ পৰিছিল। দৰাচলতে এনেবোৰ উদ্যোগেই 'ভাৰতীয় সাহিত্য' পদটিক অকল সংস্কৃত বা পালি-প্ৰাকৃত বুজাব পৰা সীমাবদ্ধতাৰ পৰা মুক্ত কৰি সমগ্ৰ ভাৰতবৰ্ষৰ সাহিত্যৰ সমন্বয় প্ৰচেষ্টাক তুলি ধৰিব পৰাকৈ গঢ় দিব বিচাৰিছিল। স্বৰাজোত্তৰ কালত সাহিত্য অকাডেমীয়ে তাৰ জন্মলগ্নৰে পৰা ভাৰতৰ জাতীয় ঐক্যক শক্তিশালী ৰূপ দিয়াৰ স্বাৰ্থতে ভাৰতীয় সাহিত্যৰ ধাৰণাটো অধিক যথাৰ্থ, সংহত আৰু সুদৃঢ় কৰাৰ প্ৰচেষ্টা চলাই আহিছে। এনেবোৰ সচেতন প্ৰয়াসৰ মাজেৰেই আজি 'ভাৰতীয় সাহিত্য'ৰ ধাৰণাটোৱে তাৰ অৰ্থক সামৰি ল'ব পৰাকৈ ব্যাপ্তি লাভ কৰিছে। কিন্তু এতিয়াও এই ধাৰণাৰ মাজত নকৈ বিকাশ লাভ কৰা বহুবোৰ ভাষা-সাহিত্যৰ আলাপ-আলোচনাই ঠাই পাবলৈ আছে। এতিয়াও ভাৰতবৰ্ষৰ সকলো সাহিত্যৰ সামগ্ৰিক ৰূপৰেখাক প্ৰশস্ত কৰিব পৰা কোনো যুগান্তকাৰী অধ্যয়ন আমি সম্পন্ন কৰিব পৰা নাই। সেয়েহে 'ভাৰতীয় সাহিত্য'ৰ ধাৰণাই পূৰ্ণতা পাইছে বুলি আমি দাবী কৰিব নোৱাৰোঁ। এই প্ৰসংগতেই ভাৰতবৰ্ষত তুলনাত্মক সাহিত্যৰ প্ৰয়োজনীয়তা অধিক হৈ পৰিছে। সন্দেহ নাই যে ভাৰতীয় প্ৰেক্ষাপটত এই অধ্যয়ন এক জটিল প্ৰক্ৰিয়া। কিন্তু এক সঠিক দৃষ্টিভংগীৰে বাট বুলিলেহে আমি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ভাষাৰ সাহিত্যৰ মাজত ভাৰতীয় বৈশিষ্ট্যবোৰ বিচাৰি উলিওৱাৰ লগতে সিবোৰক এক বিশ্ব পৰিপ্ৰেক্ষিতৰ মাজত ৰাখি আলোচনা কৰিব পাৰিম।